# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১২৮/২০২০

## লক ডাউন সৰ্বাত্মকৰূপত পালন কৰাৰ বাবে জনসাধাৰণলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৪ মাৰ্চ ঃ** ক'ৰণা ভাইৰাছে সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশটো সৃষ্টি কৰা ভাবুকিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ জনসাধাৰণক চৰকাৰৰ দ্বাৰা আহ্বান জনোৱা লক ডাউন সম্পূৰ্ণৰূপে পালন কৰি নিজৰ লগতে সকলোকে সুৰক্ষিত কৰি ৰাখিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আহ্বান জনাইছে। আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজি মানৱ জাতি জটিল সন্ধিক্ষণত উপনীত হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিতকৈও অধিক সংহাৰী ৰূপ ধাৰণ কৰি কৰ'ণা ভাইৰাছে মানৱ জাতিৰ সন্মুখত প্ৰৱল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। এই ভয়াবহ পৰিস্থিতিৰ সময়ত আমাৰ ৰাজ্যখনত বৰ্তমানে এটাও পজিটিভ কেছ ধৰা পৰা নাই যদিও ৰাইজৰ সতৰ্কতা আৰু সজাগতা এই ক্ষেত্ৰত সৰ্বাত্মক হ'ব লাগিব। যিহেতু বৰ্তমানেও এই ভাইৰাচৰ কোনো প্ৰতিষেধক আৱিষ্কাৰ হোৱা নাই সেয়েহে জনসাধাৰণৰ সাৱধানতাই এই ৰোগ প্ৰতিৰোধৰ একমাত্ৰ অস্ত্ৰ বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সতৰ্ক আৰু সজাগ হৈ সামাজিক ব্যৱধান মানি চলাৰ বাদে আমাৰ সন্মুখত বৰ্তমানে কোনো বিকল্প নাই। সাম্প্ৰতিক পৰিস্থিতি আমাৰ বাবে অগ্নি পৰীক্ষা স্বৰূপ। এই পৰীক্ষাত আমি সকলোৱে সফল হ'ব লাগিব। আহিবলগীয়া দিনবোৰত যাতে ৰাজ্যখন এই ভয়াবহ ভাইৰাচৰ সংক্ৰমণৰ পৰা ৰক্ষা পৰে তাৰ বাবে আজি সন্ধিয়া ৬ বজাৰ পৰা ৰাজ্যখনত এই লক ডাউন ঘোষণা কৰা হৈছে একমাত্ৰ জনসাধাৰণৰ সুৰক্ষাৰ বাবে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনতা কাৰ্ফিউৰ আহ্বানৰ প্ৰতি জনসাধাৰণে সৰ্বাত্মক সঁহাৰি জনাই দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰিছে। মুখ্যমন্ত্ৰীয়ে আজি সন্ধিয়া ৬ বজাৰ পৰা ৩১ মাৰ্চৰ নিশা ১২ বজালৈ ঘোষণা কৰা লক ডাউন জনসাধাৰণে সম্পূৰ্ণৰূপে সফল কৰি তুলি এই দিশত দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ স্বাস্থ্য বিভাগে ৰাইজক সুৰক্ষিত কৰি ৰখাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিছে। ৰাইজেও কৰ'ণা ভাইৰাচৰ সংক্ৰমণ ৰোধ কৰিবলৈ স্বাস্থ্য বিভাগে যি সমূহ পৰামৰ্শাৱলী আগবঢ়াইছে সেই সমূহ আখৰে আখৰে পালন কৰিব লাগিব। যদিহে কৰ'ণা ভাইৰাচ সদৃশ কোনো লক্ষণে দেখা দিয়ে ততালিকে ১০৪ নম্বৰত ফোন কৰি যোগাযোগ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক আহ্বান জনায়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে লগতে এই লক ডাউনৰ সময়ছোৱাত অত্যাৱশ্যকীয় সেৱাত নিয়োজিত স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, বিদ্যুৎ, আৰক্ষী আৰু জিলা প্ৰশাসন, অগ্নি নিৰ্বাপন আৰু দুৰ্যোগ প্ৰশমন, বেংক, অত্যাৱশ্যকীয় সামগ্ৰী যোগানৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীৰ লগতে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত কৰ্মকৰ্তা সকলক সম্পূৰ্ণ দায়বদ্ধতাৰে দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে  ৰাজ্যৰ পঞ্চায়ত প্ৰতিনিধি, গাঁওবুঢ়া, চাহ বাগানৰ লাইন চৰ্দাৰ, শিক্ষক আদিকে ধৰি সমাজৰ সকলো সচেতন ব্যক্তিলৈ এই ক্ষেত্ৰত  যিমান পাৰে সচেতনতা সৃষ্টিৰ দিশত পদক্ষেপ ল'বলৈও আহ্বান জনায়। এই লক ডাউনৰ সময়ত সৰ্বসাধাৰণ লোক যিহেতু বাহিৰলৈ ওলাব নোৱাৰে সেয়েহে ছ'চিয়েল মিডিয়া মাধ্যমেৰে এই ক্ষেত্ৰত সচেতনতাৰ সৃষ্টি কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে সাম্প্ৰতিক পৰিস্থিতিত ৰাজ্যৰ সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকাৰো শলাগ লোৱাৰ লগতে ৰাইজক ক'ৰণা ভাইৰাচ সংক্ৰমণ সংক্ৰান্তত আৰু ৰাজ্য চৰকাৰে ঘোষণা কৰা লক আউট যাতে সফল হয় সেই ক্ষেত্ৰত সজাগ কৰি তোলাৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়। এই পৰিস্থিতিত ৰাইজৰ মাজত যাতে কোনো উৰা বাতৰি বিয়পিব নোৱাৰে তাৰ বাবেও সংবাদ মাধ্যমক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। সাৱধানতা, সজাগ আৰু সচেতনতাই যিহেতু কৰ'ণা ভাইৰাচৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ সবাতোকৈ শক্তিশালী অস্ত্ৰ সেয়েহে জনসাধাৰণক চৰকাৰৰ দ্বাৰা আহ্বান জনোৱা লক ডাউন সৰ্বাত্মক ৰূপত পালন কৰাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক শংকিত নহৈ এই দিশত সাৱধনতা তথা সজাগ আৰু সচেতন হোৱাৰ বাবেও আহ্বান জনায়।

**সুঃদঃ / বীঃগঃ /বঃভাঃ / পুঃডেঃ**
**২৪/০৩/২০২০**